UG PH S3-01
(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি. বি. চি. এচ.; এন. ই. পি-2020 অনুসৰি)

তৃতীয় ষাণ্মাসিক

নীতিশাস্ত্র

দর্শন



সূর্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক সৌৰভপ্ৰাণ গোস্বামী, দৰ্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড০ সাবিত্ৰী দেৱী সহযোগী অধ্যাপক, দৰ্শন বিভাগ, কটন কলেজ
ড০ নৱ প্ৰসাদ নাথ, দৰ্শন বিভাগ, নগাওঁ কলেজ (অটোন'মাচ)

সমন্বয়ৰক্ষীঃ ড০ তেজসা কলিতা, সহকাৰী অধ্যাপিকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*প্ৰস্তুতি গোটৰ সদস্য*	*ভাষান্তৰকাৰী*
1	অধ্যাপিকা, অৰ্চনা বৰুৱা	ড০ দিপালী বেজবৰুৱা
2, 3,4	পাপৰী বৰুৱা	গিতাঞ্জলী মেধি
5	ড০ ৰিপা বৰুৱা	গিতাঞ্জলী মেধি
6	ড০ সুচৰীতা ডে	তনুজা কলিতা
7	ড০ প্ৰণতী দেবী	মাইনু দেবী বৰুৱা
8	ড০ তেজসা কলিতা	গিতাঞ্জলী মেধি
9	শ্ৰীমতী মিনাক্ষী শৰ্মা পাঠক	কীৰ্তি নাথ কলিতা
10	শ্ৰীমতী চাৰু দাস	মাইনু দেবী বৰুৱা
11	ড০ পৰান বৰঠাকুৰ	ড০ পৰান বৰঠাকুৰ
12	ড০ ভাস্কৰ ভট্টাচাৰ্য্য	ড০ ভাস্কৰ ভট্টাচাৰ্য্য
13,14	আকৈযাম থৈবাচানা	ড০ মানসী বৰা
15	ড০ মানসী বৰা	ড০ মানসী বৰা

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা	ঃ	ড০ যুথিকা দাস, শ্ৰীমতী মিনাক্ষী শৰ্মা পাঠক
ভাষা সম্পাদনা	ঃ	ড০ ৰেখাৰাণী দেৱী, গুৱাহাটী বিশ্ববিদ্যালয় মাইনু দেৱী বৰুৱা
গাঁথনিক সম্পাদনা	ঃ	ড০ তেজসা কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ মে', 2018; দ্বিতীয় প্ৰকাশ ঃ চেপ্তেম্বৰ, 2024

Copyright © Krishna Kanta Handiqui State Open University
This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।

মুখ্য কাৰ্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী-৭৮১০১৭
নগৰ চৌহদ ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ

এই পাঠ্যবিষয়টিয়ে আমাক নীতিবিদ্যাৰ লগত পৰিচয় কৰি দিয়ে। ই বিজ্ঞান সন্মত পদ্ধতিৰে মানুহৰ ৰীতিনীতি আৰু অভাস সমূহ আলোচনা কৰে। নীতিবিজ্ঞানক শুদ্ধ আৰু ভুল নিৰ্দ্ধপনৰ বিজ্ঞান বুলিও কব পাৰি কাৰণৰ মানুহৰ শুদ্ধ অশুদ্ধ ব্যৱহাৰৰ জৰিয়তে, মানুহৰ এজনৰ ইচ্ছা প্রকাশিত হয়। সেয়েহে নীতিবিদ্যাক মানুহৰ সর্বোচ্চ শ্রেয়ৰ বিজ্ঞান বুলি কব পাৰি যিয়ে, সত্য, শ্রেয় আৰু সুন্দৰক সাঙুৰি লয়।

প্রথম অধ্যায়টো হ'ল 'নীতিবিদ্যাৰ প্রকৃতি আৰু পৰিসৰ'। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি নীতিবিদ্যাৰ প্রকৃতি আৰু পৰিসৰৰ বিষয়ে জানিব পাৰিব।

দ্বিতীয় অধ্যায়টো হ'ল নৈতিকতাৰ ধাৰণা। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিব নীতিবিজ্ঞান দর্শনৰ এক বিভাগ। ই হৈছে নৈতিকতা, নৈতিক সমস্যা আৰু নৈতিক বিচাৰৰ বিষয়ে নৈতিক দর্শন নাইবা দার্শনিক চিন্তা।

তৃতীয় অধ্যায়টো হ'ল নৈতিক বিচাৰ বা অৱধাৰণৰ স্বৰূপ। এই অধ্যায়ত আলোচনা কৰা বিষয়সমূহ হ'ল- নৈতিক বিচাৰ বা অৱধাৰণৰ ধাৰণা নৈতিক বিচাৰৰ স্বৰূপ, নৈতিক বিচাৰ আৰু আন বিচাৰৰ মাজত পার্থক্য আৰু নৈতিক বিচাৰৰ কর্তা আৰু বিষয়।

চতুর্থ **অধ্যায়**টো হ'ল **যথার্থতা আৰু মূল্যবোধ**। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি যথার্থতা আৰু মূল্যবোধ কি সেয়া ব্যাখ্যা কৰিব পাৰিব, বিভিন্ন প্রকাৰৰ মূল্যবোধ আৰু মানৱ জীৱনত ইয়াৰ গুৰুত্বৰ ব্যাখ্যা কৰিব পাৰিব আৰু যথার্থতা আৰু মূল্যবোধৰ মাজৰ প্রভেদ বুজিব পাৰিব।

পঞ্চম অধ্যায়টো হ'ল নৈতিক ধাৰণাঃ শুভ, শুদ্ধ , কর্তব্য আৰু সদাচাৰ এই অধ্যায়টো অধ্যয়ন কৰি আপুনি নীতিশাস্ত্রৰ সংজ্ঞা দিব পাৰিব, নীতিশাস্ত্রৰ মৌলিক ধাৰণাবোৰ চিনাক্ত কৰিব পাৰিব আৰু শুভ, শুদ্ধ, কর্তব্য আৰু সদাচাৰৰ ধাৰণাকেইটা ব্যাখ্যা কৰিব পাৰিব।

ষষ্ঠ অধ্যায়টো হ'ল সুখবাদ। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সুখবাদৰ সংজ্ঞা দিব পাৰিব, সুখবাদী তত্ত্বসমূহৰ বিভিন্ন ভাগসমূহ আলোচনা কৰিব পাৰিব, মনস্তাত্ত্বিক সুখবাদৰ ব্যাখ্যা কৰিব পাৰিব, নৈতিক সুখবাদৰ আলোচনা কৰিব পাৰিব, বেন্থামৰ (Bentham) স্থূল বা পৰিমাণবোধক উপযোগিতাবাদ বর্ণনা কৰিব পাৰিব, স্থূল উপযোগিতাবাদৰ ওপৰত বিচাৰমূলক মন্তব্য আগবঢ়াব পাৰিব।

সপ্তম অধ্যায়টো হ'ল উপযোগিতাবাদ ঃ বেন্থাম আৰু মিল। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি নৈতিকতাৰ এক স্বীকৃত মানৰূপে উপযোগিতাবাদৰ বিষয়ে আলোচনা কৰিব পাৰিব, জেৰেমী বেন্থামৰ উপযোগিতাবাদৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব, মিলৰ উপযোগিতাবাদৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিব আৰু মিলৰ নৈতিক দর্শনৰ মূল কথাবোৰ বণনা কৰিব পাৰিব।

অষ্টম অধ্যায়টো হ'ল এৰিষ্ট'টলৰ আনন্দৰ ধাৰণা। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি — এৰিষ্ট'টলৰ আনন্দৰ সংজ্ঞাটোৰ বিষয়ে জানিব পাৰিব,জীৱনৰ পৰম লক্ষ্যৰ বিষয়ে জানিব পাৰিব, স্বৈচ্ছিক আৰু অনৈচ্ছিক কার্যৰ মাজত থকা প্রভেদবোৰৰ বিষয়ে জানিব পাৰিব, আনন্দ আৰু ইচ্ছাৰ স্বাধীনতাৰ মাজত থকা সম্পর্ক বুজি পাব, এৰিষ্ট'টলৰ 'ইউডাইম'নিয়া'ৰ ধাৰণাটোৰ সংজ্ঞা আগবঢ়াব পাৰিব।

নৱম অধ্যায়টো হ'ল 'স্বাধীনতা আৰু নিয়তিবাদ' এই অধ্যায়টো অধ্যয়ন কৰি আপুনি স্বাধীনতা আৰু নিয়তিবাদৰ অর্থ জানিব পাৰিব আৰু স্বাধীনতা আৰু নিয়তিবাদ সমর্থন কৰা যুক্তিসমূহ ব্যাখ্যা কৰিব পাৰিব

দশম অধ্যায়টো হ'ল 'কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবিজ্ঞান'। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিব নীতিবিজ্ঞানমূলক অধ্যয়নত থকা চাৰিটা প্রধান পৰিসৰৰ বিষয়ে আৰু আদর্শনিষ্ঠ নীতিবিজ্ঞানক ব্যাখ্যা কৰিবলৈ।

একাদশ অধ্যায়টো হ'ল 'পুৰুষার্থ'। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি মানৰ জীৱনৰ উদ্দেশ্যসমূহৰ প্রকৃতি ভাৰতীয় পৰম্পৰা অনুযায়ী ব্যাখ্যা কৰিব পাৰিব, আর্থিক মূল্যৰ লগত জড়িত আনুষ্ঠানিক গাঁথনিৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব, চাৰিটা প্রমূল্যৰ লগত সম্পর্কিত চাৰি প্রকাৰৰ শাস্ত্রৰ বিভাজন দাঙি ধৰিব পাৰিব।

দ্বাদশ অধ্যায়টো হ'ল শাস্তিতত্ত্ব। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—অপৰাধ আৰু শাস্তিৰ বিষয়ে আলোচনা কৰিব পাৰিব, প্রতিৰোধাত্মক বা নিষেধক মতবাদৰ বিৱৰণ দিব পাৰিব, সংশোধনাত্মক মতবাদৰ আলোচনা কৰিব পাৰিব, প্রতিকাৰাত্মক বা প্রতিশোধাত্মক মতবাদৰ আলোচনা আগবঢ়াব পাৰিব, শাস্তিতত্ত্ব সম্পর্কীয় মতবাদ সমূহৰ মাজত পার্থক্য নির্ণয় কৰিব পাৰিব, আৰু ভিন্ ভিন্ শাস্তিতত্ত্ব সম্পর্কীয় মতবাদৰ আলোচনা কৰিব পাৰিব।

ত্রয়োদশ অধ্যায়টো হ'ল 'অধি-নীতিশাস্ত্র ঃ ইয়াৰ স্বৰূপ আৰু আদর্শনিষ্ঠ নীতি বিজ্ঞানৰ পৰা ইয়াৰ পার্থক্য'। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি অধিনীতি শাস্ত্রৰ স্বৰূপৰ লগত ইয়াৰ লগত সম্বন্ধিত প্রশ্ন যেনে অধিনীতি শাস্ত্র মানে কি আৰ ই আদর্শনিষ্ঠ নীতিজ্ঞানৰ পৰা কেনেকৈ পৃথক সম্পর্কে জানিব পাৰি। অধিনীতি শাস্ত্র আটাইতকৈ বিমূর্ত নীতিশাস্ত্র হিচাপে যি সকলোনৈতিক মূল্য নিয়ন্ত্রণ কৰা মূল নীতিবোৰৰ লগত সম্বন্ধিত হৈ থকা নীতি বিজ্ঞানৰ সমপের্কে জানিব পাৰিব।অধিনীতি শাস্ত্রৰ কাম যে কোনো নীতি, কার্য্য বা নীতিবিজ্ঞানৰ মূল্য নির্ধাৰণ কৰা নহয় তাক জানিব পাৰিব। ই আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ পৰাপৃথক যি এটা মডেল বা নীতি বা এক মানদণ্ড যাৰ দ্বাৰা বস্তু সমূহক বিচাৰ কৰা হয়।

চর্তুদশ অধ্যায়টো হ'ল 'মুৰ ঃ ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণ'। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি মুৰৰ 'নৈতিক প্রতিবাদ'ৰ উদ্দেশ্যবোৰ উপস্থাপনৰ বিষয়ে জানিব পাৰিব। প্রকৃতিগত দোষ সম্পর্কে আলোচনা কৰিব পাৰিব। 'ভাল'ৰ ধাৰণাটো কিয় ব্যাখ্যা কৰিব নোৱাৰি তাক আলোচনা কৰিব পাৰিব।

পঞ্চদশ অধ্যায়টো হ'ল নৈতিক ভাষাৰ আবেগবাদী (আবেগবাদী) বিশ্লেষণ। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি নৈতিক ভাষাৰ আবেগবাদী বিশ্লেষণ সম্পর্কে ধাৰণা কৰিব পাৰিব, আৰু জানিব পাৰিব আবেগবাদ মনে কি, আবেগবাদ সম্পর্কে আয়াৰৰ মতামত কি, সত্যাপন নীতি সম্পর্কে আয়াৰৰ মতামত কি, ষ্টিভেনচনৰ আবেগবাদ কি?

এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আর্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

স্নাতক কলা
নীতিশাস্ত্র
বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ নীতিবিদ্যাৰ প্ৰকৃতি আৰু পৰিসৰ ৭-১৬

নীতিবিদ্যাৰ সংজ্ঞা, নীতিবিদ্যাৰ প্ৰকৃতি বা স্বৰূপ, নীতিবিদ্যাৰ পৰিসৰ

অধ্যায় ২ ঃ নৈতিকতাৰ ধাৰণা ১৭-৩০

নৈতিকতাৰ সংজ্ঞা, নৈতিকতাৰ স্বৰূপ বা প্ৰকৃতি, বিভিন্ন নৈতিক ধাৰণা, নৈতিক মতবাদ

অধ্যায় ৩ ঃ নৈতিক বিচাৰ বা অৱধাৰণৰ স্বৰূপ ৩১-৩৮

নৈতিক বিচাৰৰ ধাৰণা আৰু স্বৰূপ, নৈতিক বিচাৰৰ কৰ্তা, নৈতিক বিচাৰৰ বিষয়, নৈতিক বিচাৰ আৰু অন্যান্য বিচাৰৰ মাজত প্ৰভেদ

অধ্যায় ৪ ঃ যথার্থতা আৰু মূল্যবোধ ৩৯-৪৮

যথার্থতাৰ অর্থ, মূল্যবোধৰ অর্থ, মূল্যবোধৰ শ্ৰেণীবিভাজন, যথার্থতা আৰু মূল্যবোধৰ মাজৰ পার্থক্য

অধ্যায় ৫ ঃ নৈতিক ধাৰণাঃ শুভ, শুদ্ধ, কর্তব্য আৰু সদাচাৰ ৪৯-৫৮

শুভ, শুদ্ধ, কর্তব্য আৰু সদাচাৰ

অধ্যায় ৬ ঃ সুখবাদ ৫৯-৭৪

নৈতিক দর্শনত সুখবাদ, সুখবাদী তত্ত্বৰ শ্ৰেণীবিভাগ, মনস্তাত্ত্বিক সুখবাদ, নৈতিক সুখবাদ, পৰসুখবাদ বা স্থূল বা অমার্জিত পৰসুখবাদ —বেঠাম, পৰসুখবাদ বা মার্জিত সুখবাদ — জে. এছ. মিল

অধ্যায় ৭ ঃ উপযোগিতাবাদ ঃ বেন্থাম আৰু মিল ৭৫-৯৬

উপযোগিতাবাদ, উপযোগিতাবাদৰ ঐতিহাসিক পটভূমি, বেন্থাম আৰু তেওঁৰ দর্শন, সর্বহিতবাদী সুখবাদ, বেন্থামৰ উপযোগিতাবাদ সম্পর্কীয় দৃষ্টিভংগী, ন্যায়িক আৰু সামাজিক সংস্কাৰৰ আধাৰত উপযোগিতাৰ নীতি, মিলৰ জীৱন আৰু কর্মৰাজি, মিল আৰু সুখবাদ, মিলৰ উপযোগিতাবাদ

অধ্যায় ৮ ঃ এৰিষ্ট'টলৰ আনন্দৰ ধাৰণা ৯৭-১০৫

এৰিষ্ট'টলৰ আনন্দৰ ধাৰণা, আনন্দ জীৱনৰ পৰম লক্ষ্য, আনন্দ আৰু ইচ্ছাৰ স্বাধীনতা, এৰিষ্ট'টলৰ 'ইউডাইম'নিয়া'ৰ ধাৰণা

অধ্যায় ৯ ঃ **স্বাধীনতা আৰু নিয়তিবাদ** **১০৬-১১৭**

নিয়তিবাদ, নিয়তিবাদৰ সপক্ষে যুক্তি, ইচ্ছাৰ স্বাধীনতা কি?, স্বাধীন ইচ্ছাৰ সপক্ষে যুক্তি অদৃষ্টবাদ, ভাগ্যবাদ আৰু বৈজ্ঞানিক নিয়তিবাদ, স্বাধীনতা আৰু নিয়তিবাদ

অধ্যায় ১০ ঃ **কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবজ্ঞান** **১১৮-১২৯**

আদর্শনিষ্ঠ নীতিবিজ্ঞান আৰু আন তিনিপ্রকাৰৰ নীতিবিজ্ঞানৰ লগত ইয়াৰ পার্থক্য, আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ প্রকাৰসমূহ, কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবিজ্ঞানৰ মাজৰ পার্থক্য সমালোচনাত্মক মূল্যায়ন

অধ্যায় ১১ ঃ **পুৰুষার্থ** **১৩০-১৪৩**

অর্থ, কাম, ধর্ম, মোক্ষ. চাৰিপ্রকাৰৰ শাস্ত্র

অধ্যায় ১২ ঃ **শাস্তিতত্ত্ব** **১৪৪-১৫৭**

অপৰাধ আৰু শাস্তিৰ ধাৰণা,শাস্তি সম্পর্কীয় মতবাদ, প্রতিষেধমূলক মতবাদ, সংশোধনমূলক মতবাদ, প্রতিশোধমূলক মতবাদ, প্রাণদণ্ড শাস্তিতত্ত্ব

অধ্যায় ১৩ঃ **অধি-নীতিশাস্ত্র ঃ ইয়াৰ স্বৰূপ আৰু আদর্শনিষ্ঠ নীতি বিজ্ঞানৰ পৰা ইয়াৰ পার্থক্য** **১৫৮-১৬৮**

অধি-নীতিশাস্ত্র কি? অধি-নীতিশাস্ত্র কি? অধিনীতি শাস্ত্র আৰু আদর্শনিষ্ঠ নীতি বিজ্ঞানৰ মাজত পার্থক্য

অধ্যায় ১৪ ঃ **মুৰ ঃ ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণ** **১৬৯-১৭৭**

ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণ, সাধাৰণ আৰু জটিল সম্পত্তি, মুক্ত প্রশ্নৰ যুক্তি, প্রকৃতিগত দোষ, অর্ন্তনিহিত মূল্য হিচাপে ভালৰ ধাৰণা

অধ্যায় ১৫ঃ **নৈতিক ভাষাৰ আবেগবাদী (আবেগবাদী) বিশ্লেষণ** **১৭৮-১৯১**

আয়াৰৰ আবেগবাদ, আয়াৰ আৰু সত্যাপন নীতি, আয়াৰৰ আবেগবাদৰ মূল্যায়ণ, ষ্টিভেনাচনৰ আবেগবাদ, আবেগবাদ আৰু নৈতিক অসন্মতি